**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-JULY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

ৰাজ্যত আগষ্টৰ প্ৰথম সপ্তাহৰ ভিতৰত স্থানীয় বিধায়কসকলক অধ্যক্ষ হিচাপে লৈ প্ৰতিটো ধান ক্ৰয় কেন্দ্ৰৰ বাবে চৰকাৰে নিৰ্ধাৰণ কৰা সদস্যৰে একোখন সমিতি গঠন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে কালি গুৱাহাটীত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা আৰু মত বিনিময় সভাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰৰ লগতে ধানৰ ন্যূনতম সমৰ্থন মূল্যত ৰাজ্য চৰকাৰে আগবঢ়োৱা অৰিহণা কেৱল যাতে খেতিয়কসকলেহে লাভ কৰে, তাক সুনিশ্চিত কৰিব লাগিব। ইপিনে, সুলভ মূল্যৰ দোকানীসকলে প্ৰতিমাহৰ ২০ তাৰিখৰ ভিতৰত তেওঁলোকৰ প্ৰাপ্য কমিছন লাভ কৰাটো নিশ্চিত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। শ্ৰী ৰায়ে এই বৈঠকত যোগ্য হিতাধিকাৰীসকলক অন্তৰ্ভুক্ত কৰি অন্ন সেৱা অভিযান অব্যাহত ৰখাৰ উদ্দেশ্যে ৩১ জুলাইৰ ভিতৰত ৰেচন কাৰ্ড পুনৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব বুলিও নিৰ্দেশ দিয়ে। ইয়াৰ জৰিয়তে আধাৰ নম্বৰ আধাৰিত পুনৰীক্ষণ, ই -কে ৱাই চি পুনৰীক্ষণ কৰি কাৰ্ড পোৱাৰ পাছতো ছমাহ বা তাতকৈ অধিক সময় বিনামূলীয়া চাউল গ্ৰহণ নকৰা হিতাধিকাৰীৰ বিষয়টো পুনৰীক্ষণ কৰি প্ৰকৃত পৰিয়ালৰ বাবে ৰেচন কাৰ্ড লাভ কৰাৰ পথ প্ৰশস্ত কৰা হ'ব। তেওঁ কয় যে জটিল ৰোগত আক্ৰান্ত লোকক ৰেচন কাৰ্ড প্ৰদানৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে সকলোৰে দায়বদ্ধতাৰে কাম কৰিব লাগিব। তেওঁ কয় যে বিভাগৰ উচ্চ স্তৰৰ পৰা তৃণমূল পৰ্যায়ৰ কৰ্মচাৰীৰ লগতে সুলভ মূল্যৰ দোকানীলৈকে সকলোৰে নিষ্ঠা আৰু একাগ্ৰতাৰ বাবে ৰাজ্যখনে স্মাৰ্ট পি ডি এছ্‌ ব্যৱস্থা প্ৰৱৰ্তনত দেশৰ ভিতৰতে প্ৰথম ৰাজ্য হিচাপে সমৰ্থ হৈছে। এই সাফল্যৰ বাবে তেওঁ সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

oooooo

ৰাজ্য চৰকাৰে অসম জুৰি বান ব্যৱস্থাপনা শক্তিশালী কৰিবলৈ আৰু খহনীয়া ৰোধ কৰিবলৈ ব্যাপক পদক্ষেপ গ্ৰহণ কৰা বুলি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। কালি ডিব্ৰুগড়ৰ মাইজানৰ নগাঘূলি ঘাটৰ জলসম্পদ প্ৰকল্প পৰিদৰ্শন কৰি ৰাজ্যপালগৰাকীয়ে বান নিয়ন্ত্ৰণ তথা খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা সাম্প্ৰতিক ব্যৱস্থাসমূহৰ বুজ লৈ এই কথা প্ৰকাশ কৰে। তেওঁ পৰিৱেশৰ স্থায়িত্ব বৃদ্ধিৰ বাবে মথাউৰিৰ কাষে কাষে গছ পুলি ৰোপন কৰা তথা এই স্থানসমূহত পৰ্যটনৰ সা-সুবিধা বৃদ্ধি কৰাকে ধৰি স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাতো গুৰুত্ব আৰোপ কৰে। এই পৰিদৰ্শন কালত ৰাজ্যপালগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে প্ৰকল্পটোৰ সুৰক্ষা আৰু স্থায়িত্বৰ বিষয়েও আলোচনা কৰে।

oooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ডিব্ৰুগড় জিলাৰ ঔদ্যোগিক ভৱনত থকা অস্থায়ী কাৰ্যালয় পৰিদৰ্শন কৰে আৰু চাবুৱাৰ পানীএৰা গাঁৱত হৈ থকা নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত হোৱা আলোচনাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ৰাজ্যপালগৰাকীক

বিশ্ববিদ্যালয়খনে সন্মুীখন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰে। ৰাজ্যপালগৰাকীয়ে বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্য যথাসম্ভৱ শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। বিশ্ববিদ্যালয়খনে সন্মুখীন হোৱা সমস্যাসমূহ সমাধান কৰিবলৈ ক্ৰীড়া বিভাগৰ জৰিয়তে সম্পূৰ্ণ প্ৰচেষ্টা চলোৱা হ'ব বুলিও ৰাজ্যপালগৰাকীয়ে কৰ্তৃপক্ষক আশ্বাস দিয়ে।

**বাইট (ৰাজ্যপাল)**

ৰাজ্যপালগৰাকীৰ পৰিদৰ্শনৰ সময়ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ হিৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰ, জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা আৰু লোকনিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০

লখিমপুৰ জিলাৰ পাঁচোটা বিধানসভা সমষ্টিত বিশেষ গ্ৰীষ্মকালীন শিবিৰৰ কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু লখিমপুৰ জিলা প্ৰশাসনৰ সহযোগত ১৫ দিনীয়া বিধানসভা সমষ্টিভিত্তিক এই শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰত সত্ৰীয়া নৃত্য, লোক নৃত্য, জ্যোতি সংগীত, বিষ্ণুৰাভা সংগীত, ভূপেন হাজৰিকা সংগীত, সমৰকলা আৰু যোগাভ্যাসৰ লগতে বিভিন্ন সাংস্কৃতিক আৰু মনোৰঞ্জনমূলক কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। লখিমপুৰৰ জিলা আয়ুক্তই শুভাৰম্ভ কৰা এই অনুষ্ঠানত জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, উত্তৰ-লখিমপুৰ পৌৰসভাৰ অধ্যক্ষ আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ৰঙানদী, নাওবৈচা, বিহপুৰীয়া আৰু ঢকুৱাখনা বিধানসভা সমষ্টিতো কালি এই শিবিৰৰ শুভাৰম্ভ কৰা হয়।

০০০০০০

জোনাইৰ অসম-অৰুণাচল সীমান্তৰ ৫১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হয়। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত আন এজন যুৱকক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। জোনাইৰ পৰা পাচিঘাট অভিমুখে গৈ থকা মটৰচাইকেলখনক বিপৰীত দিশৰ পৰা অহা এখন চাৰিচকীয়া বাহনে খুন্দা মৰাৰ ফলতে এই শোকাৱহ ঘটনাটো সংঘটিত হয়।

০০০০০০

ধেমাজি জিলাৰ জোনাইত কালি নৈত গা ধুবলৈ গৈ এগৰাকী কিশোৰীৰ সলিল সমাধি ঘটে। আমাৰ সংবাদদাতাই জনোৱা মতে মাকৰ সৈতে ভুঁই ৰুবলৈ যোৱা কিশোৰী গৰাকী তৰাজান নৈত গা ধুবলৈ গৈ উভতি নহাত স্থানীয় লোকে তেওঁৰ সন্ধান আৰম্ভ কৰে। বহু সময়ৰ পাছত নৈৰ বুকুত অভিযান চলাই ওপঙি থকা অৱস্থাত ছাত্ৰী গৰাকীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃত কিশোৰীগৰাকী জোনাইৰ উদয়পুৰ গাঁৱৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী সবিতা মিলি বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

**সমাপ্ত**